No. of Printed Pages—2

41 (ASK)

[18–HRGPKAC–M1S (B)]

MA 1st Semester Exam., 2018 (Back)

ASSAMESE

[MAS 02]

(অসমীয়া কবিতা)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. তলৰ যি কোনো **পাঁচটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) 'লোকগীত'ক কিয় সৰ্বসাধাৰণৰ সম্পদ বুলি কোৱা হৈছে ?

(b) 'দেহবিচাৰ' গীতৰ তাৎপৰ্য বিচাৰ কৰক।

(c) 'ৰৰগীত'ৰ নামকৰণ আৰু ইয়াৰ উদ্দেশ্য সম্পৰ্কে লিখক।

(d) 'ৰমণ্যাসবাদ' শব্দটোৰ ধাৰণাটো স্পষ্ট কৰক।

(e) 'অষ্টক' আৰু 'ষষ্টক'ৰ অৰ্থ বুজাই লিখক।

(f) 'দেৱদাসী' সম্পৰ্কে এটি ধাৰণা দিয়ক।

2. তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ১৫০ শব্দৰ ভিতৰত) : 4×3=12

(a) 'চৰ্যাপদ'ৰ ভাষা সম্পৰ্কে এটি টোকা লিখক।

(b) ৰৰগীতৰ 'বিষয়বস্তুৰ সংৰক্ষণশীলতা' বুলিলে কি বুজে, আলোচনা কৰক।

(c) প্ৰথম অসমীয়া ৰমণ্যাসিক কবিতাৰ স্ৰষ্টা হিচাপে চন্দ্ৰকুমাৰ আগৰৱালাৰ চিন্তাৰ প্ৰতিফলন দেখুৱাওক।

(d) 'চনেট'ৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰক।

3. তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) 'জিকিৰ' গীতৰ পৰিচয় আৰু তাত্ত্বিক দিশ আলোচনা কৰক।

(b) 'বীণ-ব'ৰাগী' কবিতাটিৰ মূল ভাৱ লিখি ইয়াৰ অন্তর্নিহিত তাৎপর্য বিচাৰ কৰক।

(c) 'আলি দোমোজাৰ কবি' হিচাপে দেৱকান্ত বৰুৱাক কিয় প্ৰতিপন্ন কৰিবলৈ বিচৰা হৈছে, আলোচনা কৰক।

(d) হীৰেন ভট্টাচার্যৰ কাব্যচিন্তাৰ উৎস বিচাৰ কৰক।

4. তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ৫০০ শব্দৰ ভিতৰত) : 10×4=40

(a) লোকগীতৰ উৎস বিচাৰ কৰি কামৰূপী লোকগীত আৰু গোৱালপৰীয়া লোকগীতৰ বৈশিষ্ট্য আৰু পার্থক্য দেখুৱাওক।

(b) 'ৰামায়ণ'ৰ সুন্দৰাকাণ্ডৰ আধাৰত মাধৱ কন্দলীৰ অনুবাদৰীতি আৰু মৌলিকত্ব সম্পর্কে সামগ্রিকভাৱে আলোচনা কৰক।

(c) আপোনাৰ পাঠ্য কবিতাসমূহৰ আধাৰত অসমীয়া ৰমণ্যাসিক কবিতাৰ ঘাই লক্ষণ আৰু বৈশিষ্ট্যসমূহ ফঁহিয়াই দেখুৱাওক।

(d) আধুনিক কবিতাৰ আঙ্গিক সম্পর্কে আলোচনা কৰি নৱকান্ত বৰুৱা আৰু হীৰেন ভট্টাচার্যৰ কাব্যচিন্তাৰ পৰিসীমা নির্ণয় কৰক।

(e) 'লখিমী' কবিতাটিত প্ৰকাশ পোৱা প্ৰগতিবাদী চিন্তা সম্পর্কে উদাহৰণসহ আলোচনা কৰক।

★ ★ ★